بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**খন্দকৰ যুদ্ধৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনী সম্পৰ্কে বৰ্ণনা আৰু বিশ্বৰ পৰিস্থিতি আৰু পাকিস্তানৰ আৰু বাংলাদেশৰ আহমদী সকলৰ বাবে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৪ অক্টোবৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমান খোতবা জুমাত আহযাবৰ যুদ্ধ সম্পৰ্কে আলোচনা চলি আছে। আহযাবৰ যুদ্ধ সম্পৰ্কে বিতং বৰ্ণনাত এনেদৰে উল্লেখ কৰিছে যে যেতিয়া মুশৰিক সকলে খন্দক (খাল)পাৰ হোৱাৰ পিছতও কোনো ধৰণৰ সফলতা অৰ্জন কৰিব পৰা নাছিল আৰু বৰ বিপদৰ সন্মুখীন হৈছিল তেতিয়া তেওঁলোকে একতাবদ্ধ হৈছিল যে সকলোৱে মিলি ৰাতিপুৱা আক্ৰমণ কৰিব। সেয়ে ৰাতিপুৱা কাফিৰ সকলে একেলগ হৈ খন্দক অৱৰোধ কৰে আৰু খালখন পাৰ হওঁতেই তীব্ৰ আক্ৰমণৰ সন্মুখীন হ'ব লগা হয়। কাফিৰ সকলে ভাৱিছিল মুছলমান সকলে গা এৰা দি থাকিব কিন্তু এই আক্ৰমণ বৈ বৈ হৈ থাকিছিল। তীৰৰ যুদ্ধ চলি থকা অৱস্থাত অহুশি বিন হৰাবে তফিল বিন নুমান নাইবা বিন মালিক বিন নুমান আনছাৰী (ৰাঃ)ক সৰু বল্লমেৰে আঘাত হানি শ্বহীদ কৰি দিয়ে। হজৰত ছাআদ বিন মুৱাজ (ৰাঃ)য়েও তীৰবিদ্ধ হয় আৰু আহত হৈ পৰে। ইয়াৰে কিছুদিন পিছত এই আঘাতৰ বাবেই মৃত্যু বৰণ কৰে।

এই দিনবোৰতেই এদিন মুছলমান সকলে ব্যৱস্থাৰ ফলত আৰু উপাৰ্য্যপৰি আক্ৰমণৰ প্ৰকোপত সময়মতে নামাজ পঢ়াও অসুবিধা হৈ পৰে। সেইদিনা মুছলমান সকলে নামাজ পঢ়িছিল বৰ বিপদৰ মাজত আৰু ভয়ৰ মাজত কাৰণ আক্ৰমণ বৰ তীব্ৰতৰ আছিল। নামাজে আছৰৰ সময়ত আক্ৰমণ চলি থকা বাবে বৰ সংকীৰ্ণ অৱস্থাত নামাজ আদায় কৰা হৈছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে সেই সময়ত যিহেতু ভয়ৰ কাৰণে নামাজ সঠিক বাবে আদায় হোৱা নাছিল আৰু বিপদত পৰি আছৰ নামাজৰ সময় গুচি গৈছিল সেয়ে এই নামাজ মাগৰিবৰ নামাজৰ আগত পঢ়ি লোৱা হয়। আকৌ আন এটা ৰিৱায়ত মতে কেৱল জহৰ আৰু আছৰৰ নামাজ সময় এৰি আদায় কৰা হৈছিল।

এই নামাজ সময়মতে আদায় নোহোৱা সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মনত ইমানেই বেজাৰ পাইছিল তে তেখেত (ছাঃ)য়ে কৈছিল হে খোদা তুমি কাফিৰ সকলক শাস্তি প্ৰদান কৰা, সিহঁতে আমাৰ নামাজত বাধা প্ৰদান কৰি নামাজ নষ্ট কৰি দিছে। ইয়াৰ দ্বাৰা মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ চৰিত্ৰৰ ওপৰত এটা গভীৰ আলোক প্ৰদৰ্শিত হৈছে আৰু ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে জগতত আঁহজৰত (ছাঃ)ৰ বাবে আটাইতকৈ বেছি প্ৰিয় বস্তু হ'ল খোদা তা'লাৰ ইবাদত।

ন্যায় বিচাৰক ছৈয়দিনা হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে সেই সকলো বিলাক ৰিৱায়ত যিবিলাকত ৰাতি নামাজ অনুষ্ঠিত হোৱা বুলি উল্লেখ আছে, দুৰ্বল হাদীছ বুলি উল্লেখ কৰিছে। কৈছে যে কোনো ছহী হাদীছত চাৰি ওৱাক্ত নামাজ জমা পঢ়াৰ কথা উল্লেখ নাই। ফাতাহুলবাৰি শ্বৰাহ ছহী বুখাৰীত লিখা আছে যে ঘটনাটো এনেদৰে ঘটিছিল যে এটা নামাজ অৰ্থাৎ নামাজে আছৰ সাধাৰণ নিয়মতকৈ পলমত আদায় কৰা হৈছিল। হজৰত জাবেৰ বিন আব্দুল্লাহৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে সোমবাৰ, মঙ্গলবাৰ আৰু বুধবাৰে জহৰ আৰু আছৰৰ মাজৰ সময়ছোৱাত আহি নিজৰ চাদৰ ৰাখি হাত দুখন ওপৰলৈ উঠাই আহযাবৰ ওপৰত অভিশাপ দিছিল। জাবেৰ (ৰাঃ)য়ে কৈছে যে আমি আঁহজৰত (ছাঃ)ৰ মুখমণ্ডলত আনন্দ প্ৰত্যক্ষ কৰিছিলোঁ। আন এটা ৰিৱায়তত আছে যে তেখেত (ছাঃ)য়ে কৈছিল যে তোমালোকে শত্ৰুৰ বিদ্ৰোহলৈ অপেক্ষা কৰা আৰু খোদা তা'লাৰ পৰা শান্তি বিচৰা, কিন্তু যদি শত্ৰুৰ সৈতে তোমালোকৰ মোকাবিলা হৈ যায় তেন্তে ধৈৰ্য ধাৰণ কৰিবা আৰু জানি লোৱা যে জান্নাত তৰোৱালৰ ছাঁৰ তলত আছে। তেখেত (ছাঃ)য়ে দোৱা কৰিছিল যে হে আল্লাহ সিহঁতক পৰাজিত কৰা আৰু সিহঁতৰ বিৰুদ্ধে আমাক সহায় কৰা। আন এটা ৰিৱায়তত এই দোৱা সম্পৰ্কে উল্লেখ আছে যে হে আল্লাহ! মই তোমাক তোমাৰ প্ৰতিশ্ৰুতিৰ ওয়াস্তে দিছো। হে আল্লাহ যদি তুমি বিচৰা তেন্তে এই ইবাদত কৰা নহ'ব।

আবু ছঈদ খুদৰি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে আমি ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আবেদন কৰিছিলোঁ যে ইয়া ৰছুলুল্লাহ (ছাঃ) কলিজা মুখলৈ আহি পাইছে। আমাৰ ক'বলৈ কিবা শব্দ আছে নে ? তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল হয়, এই দোৱা কৰা যে হে আল্লাহ ! আমাৰ দুৰ্বলতাবোৰ ঢাকি দিয়া আৰু আমাৰ ভয় দূৰ কৰি দিয়া।

যুদ্ধ এনেদৰে নিজৰ চূড়ান্ত পৰ্যায় পাইছিল আৰু কুৰাইছে মক্কা আৰু সিহঁতৰ লগত অহা বন্ধু কবিলা বিলাকে অৱৰোধ চলাই ৰাখি বাগৰি পৰিছিল আৰু অতি সোনকালে তুমুল ৰণেৰে মুছলমান সকলৰ বিনাশ কৰিব বিচাৰিছিল। কাফিৰ সকলৰ চৰদাৰ বিলাকে এয়াই পৰিকল্পনা ৰচি আছিল, কিন্তু আনফালে খোদা তা'লাৰ সিহঁতৰ মনোবাঞ্চা ধূলিসাৎ কৰিবলৈ সিদ্ধান্ত লয়। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে এজন ব্যক্তি নঈম বিন মাছুদ যি জনে গোফফান কবিলাৰ শাখা আশজাই কবিলাৰ লোক আছিল, এওঁ যুদ্ধত মুছলমান সকলৰ লগত যোগ দিছিল। এই লোকজনে মনে মনে মুছলমান হৈছিল, এই কথা কাফিৰ সকলে গম পোৱা নাছিল। সেয়ে এই লোকজনে সুবিধা বুজি এদিন মদিনাত গৈ উপস্থিত হয় আৰু প্ৰথমে গৈ বনু কুৰাইজাক লগ ধৰে আৰু যিহেতু নঈমৰ সৈতে বনু কুৰাইজাৰ চৰদাৰৰ পুৰণি বন্ধুত্ব আছিল সেয়ে এওঁ বনু কুৰাইজাৰ চৰদাৰ সকলক কয় যে মোৰ মতে তোমালোকে এয়া ভাল কাম কৰা নাই যে মহম্মদ (ছাঃ)ৰ সৈতে বিশ্বাস ঘাতকতা কৰি গোথফান আৰু কুৰাইছ সকলৰ লগত যোগ দিছা। এই দুয়োটা কবিলাই ইয়াতে মাত্ৰ কেই দিনমানৰ অতিথি কিন্তু তোমালোকে ইয়াতেই থাকিব লাগিব। মনত ৰাখিবা। কুৰাইছ আৰু গোফফান সকলে তোমালোকক মুছলমান সকলৰ কৃপা আৰু দয়াৰ অধীনত এৰি যাব। গতিকে তোমালোকে কুৰাইছ আৰু গোফফান সকলৰ ফালৰ পৰা কেইবাজন লোকক জামিন হিচাপে তোমালোকৰ লগত ৰৈ যাবলৈ কোৱা, তেতিয়া তোমালোকৰ এটা বিশ্বাস থাকিব যে তোমালোকৰ সৈতে কোনো প্ৰৱঞ্চনা নহ'ব। এই পৰামৰ্শ দিয়াৰ পিছত নঈম বিন মাছুদে কুৰাইছ সকলৰ ওচৰত যায় আৰু তেওঁলোকক কয় যে বনু কুৰাইজা তোমালোকক ভয় কৰি আছে আৰু

তোমালোকৰ ফালৰ কেইবাজন লোকক জামিন বনাব বিচাৰি আছে তোমালোকে কিন্তু এনেকুৱা কেতিয়াও নকৰিবা। এনেনদৰে গৈ নঈমে গোফফান সকলকও পৰামৰ্শ দিছিল। খোদা তা'লাৰ কাম এনেকুৱা হৈছিল যে সেইদিনা কুৰাইছ আৰু গোফফান সকলে এয়া সিদ্ধান্ত লৈছিল যে মুছলমান সকলৰ ওপৰত চাৰিও ফালৰ পৰা সমানে আক্ৰমণ চলাব যাতে মুছলমান সকলে সংখ্যাত কম হোৱা বাবে এওঁলোকক প্ৰতিৰোধ কৰিব নোৱাৰে আৰু তেওঁলোকে সহজেই মদিনাত প্ৰৱেশ কৰিব পাৰে। এই পৰিকল্পনা অনুযায়ী কুৰাইছ সকলে বনু কুৰাইজাক খবৰ দিয়ে কিন্তু বনু কুৰাইজাৰ লোকে উত্তৰ দিছিল যে কালি আমাৰ ছবতৰ দিন গতিকে আমি অক্ষম  আৰু এনেও আপোনালোকে যদি নিজৰ ফালৰ কেইবাজন লোকক জামিন হিচাপে আমাৰ ওচৰত নাৰাখে তেন্তে আমি এই আক্ৰমণত যোগ নিদিওঁ। এই কথা কোৱাৰ লগে লগে দুয়োফালে নঈমৰ কথাৰ সত্যায়ন হৈ পৰে আৰু দুয়োফালেই মন বেজাৰ হৈ পৰে। বনু গোথফান আৰু কুৰাইছ সকলে বনু কুৰাইজাক খবৰ পঠিয়ায় যে তেওঁলোকে কাকো জামিন হিচাপে নিদিয়ে। তোমালোকে গলে এনেয়ে যাব লাগিব। এই কথাত বনু কুৰাইজাৰ বিশ্বাস ভাঙিছিল যে গোফফান আৰু কুৰাইজাৰ পৰিকল্পনা ঠিক নহয় আৰু এনেদৰে নঈমৰ এই কুটনীতি সফল হৈছিল।

ইয়াৰ পিছত আল্লাহ তা'লাৰ সিদ্ধান্ত মুছলমান সকলৰ পক্ষে হয় আৰু এদিন সেয়া ধুমুহাৰ আকাৰত প্ৰকাশ পায়। ইয়াৰ বৰ্ণনা এনেদৰে আছে যে এদিন ৰাতি শীতৰ প্ৰকোপ তীব্ৰ আছিল, আৰু আল্লাহ তা'লা এনেকুৱা প্ৰবল ধুমুহা চলাইছিল যে কাফিৰ সকলৰ বাচন বৰ্তন উৰুৱাই লৈ গৈছিল। এই ধুমিহাই কাফিৰ সকলৰ মনত ভয় সুমুৱাই দিয়ে আৰু তেওঁলোকে পিছুৱাই যায়।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ভয়ানক ধুমুহাৰ বিষয়ে বৰ্ণনা কৰাৰ পিছত কৈছে যে এই ধুমুহাৰ দৃশ্যই কাফিৰ সকলৰ ক্লান্ত, শ্ৰান্তমনক যি আগৰে পৰাই অৱৰোধ চলাই বাগৰি পৰিছিল আৰু তেওঁলোকৰ ঐক্যৰ ওপৰত অবিশ্বাসী হৈ পৰিছিল, কম্পিত কৰি তুলিছিল। তেওঁলোকৰ মনত এটা এনেকুৱা ভয়ৰ সৃষ্টি হৈছিল যে তেওঁলোকে আৰু যুদ্ধ কৰাৰ সিদ্ধান্ত বাতিল কৰিব লগা হৈছিল। এনেদৰে ৰাতিপুৱা দোকমোকালিৰ আগতেই কাফিৰ সৈন্যই মদিনাৰ মাটি এৰি পলাবলৈ বাধ্য হৈছিল।

যেতিয়া এই ধুমুহাৰ প্ৰকোপ অতিমাত্ৰা বৃদ্ধি পায় তেতিয়া আবু ছুফিয়ানে তাৰ ওচৰতে থকা কুৰাইছ নেতৃবৰ্গক মাতি কৈছিল যে আমাৰ সমস্যা বাঢ়ি গৈ আছে, গতিকে আমি ইয়াতে আৰু ৰৈ থকা ঠিক নহ'ব, আমি গুচি যোৱাই ভাল হ'ব আৰু মই এতিয়াই গুচি যাম। এই বুলি তেওঁ নিজৰ মানুহক ওভতি যাবলৈ আদেশ দিয়ে আৰু নিজেও উটৰ ওপৰত আৰোহণ কৰে। কিন্তু তেওঁ ইমানেই ভয়াতুৰ হৈ পৰিছিল যে উটৰ ভৰিৰ বান্ধ খুলি দিবলৈও পাহৰি গৈছিল। উটৰ পিঠিত আৰোহণ কৰাৰ পিছত যেতিয়া উটে খোজ দিয়া নাছিল তেতিয়া তাৰ মনত পৰিছিল যে উটক এৰি দিয়া হোৱা নাই। তেতিয়া আকৰামা বিন জাহিলে কোনোমতে সাহস গোটাই আবু ছুফিয়ানক কৈছিল, তুমি সৈন্য বাহিনীৰ আমিৰ (সেনাদক্ষ) হৈ এনেদৰে বাহিনী এৰি কিয় পলাই গৈ আছা ? তুমি কিয় সৈন্য সকলৰ কথা চিন্তা কৰা নাই ? আকৰামাৰ কথাত আবু ছুফিয়ানে বৰকৈ লাজ পায় আৰু উটৰ পৰা নামি আহে আৰু কয় যে হ'ব, মই নাযাওঁ কিন্তু তোমালোকে সোনকালে ওভতি যোৱাৰ খবৰ পাই তৎক্ষণাত প্ৰস্তুত হৈ পৰে আৰু বনু কুৰাইজাৰ লোকেও নিজৰ দুৰ্গলৈ ওভতি আহে। বনু নজিৰৰ চৰদাৰ হাই বিন আখতাবে বনু কুৰাইজাৰ লগত তেওঁলোকৰ দুৰ্গলৈ গুচি যায়। এনেদৰে ৰাতিপুৱাৰ পোহৰ অহাৰ আগতেই যুদ্ধৰ ময়দান জনশূন্য হৈ পৰে আৰু এক পৰিৱৰ্তন সাধন হোৱাৰ দৰে মুছলমান সকলে বিজয় লাভ কৰে।

যেতিয়া আঁহজৰত (ছাঃ)য়ে কাফিৰ সকলৰ পলাই যোৱাৰ খবৰ পায় তেতিয়া তেখেত (ছাঃ)য়ে খোদা তা'লাৰ শলাগ লৈ কয় যে এয়া আমাৰ চেষ্টা প্ৰচেষ্টাৰ ফলাফল নহয় বৰং এয়া খোদা তা'লাৰহে কৃপা যিয়ে নিজৰ বলেৰে আহযাবক পিছুৱাই দিছে।

ইয়াৰ পিছত কাফিৰ সকলৰ পলাই যোৱাৰ খবৰ মুছলমান সকলৰ মাজত প্ৰচাৰ হৈ পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই যুদ্ধ সম্পৰ্কে থকা বাকী বৰ্ণনা ইনশা আল্লাহ আগলৈ কৰা হ'ব। বিশ্বৰ বৰ্তমান পৰিস্থিতিৰ বাবে দোৱাৰ ফালে সকলোৰে মনোযোগ আকৰ্ষণ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আমি জানো যে বৰ্তমান বিশ্বৰ পৰিস্থিতি দিনক দিনে বেয়াৰ ফালে ঢাল খাই আছে, ধ্বংসৰ ফালে আগবাঢ়ি গৈ আছে। আমেৰিকা আৰু ডাঙৰ ডাঙৰ শক্তি বিলাকে ন্যায় অৱলম্বন কৰিব বিচৰা নাই। যুদ্ধই বিস্তাৰ লাভ কৰি আছে। আল্লাহ তা'লা আহমদী আৰু নিৰ্দোষ লোক সকলক এই ভয়ানক পৰিস্থিতি আৰু বেয়া প্ৰভাৱৰ পৰা মুক্ত ৰাখক। ইয়াৰ বাবে আমি আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক দৃঢ় কৰিব লাগিব আৰু দোৱাৰ প্ৰতি বেছি বেছি মনোযোগ দিব লাগিব। এইফালে প্ৰত্যেকজন আহমদীয়ে মনোযোগ দিয়া উচিত। পাকিস্তানৰ আহমদী সকলৰ পৰিস্থিতি বেছি বেয়াৰ ফালে ঢাল খাইছে, তেওঁলোকৰ বাবেও দোৱা কৰিব। বাংলাদেশৰ আহমদী সকলৰ পৰিস্থিতিৰ উন্নতিকল্পে দোৱা কৰিব। বাংলাদেশত আহমদী সকলৰ ওপৰত অনাচাৰ, অত্যাচাৰ চলি আছে, আল্লাহ তা'লা সকলোৰে ওপৰত ৰহমত আৰু তাৰ কৃপা বৰ্ষণ কৰক। আমিন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 4 OCT 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O-ISHAAT QADIAN

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা